# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 17-03-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - -

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজ্যৰ বিভিন্ন জিলাৰ আয়ুক্ত আৰু সম-জিলাৰ আয়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বৈঠকত মিলিত হৈ প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ হিতাধিকাৰীসকলক প্ৰথম কিস্তিৰ ধন বিতৰণ সন্দৰ্ভত আলোচনা কৰে। অহা ১৯ মাৰ্চত কামৰূপ জিলাৰ পলাশবাৰীত কেন্দ্ৰীয়ভাৱে এই যোজনাৰ হিতাধিকাৰীসকলক প্ৰথম কিস্তিৰ ধনৰাশি অনুমোদন পত্ৰ বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। প্ৰতিখন জিলা আৰু সম-জিলাত একে সময়তে এই অনুষ্ঠানৰ আয়োজন কৰিবলৈ মুখ্যমন্ত্ৰীয়ে জিলা আৰু সম-জিলা আয়ুক্তসকলক নিৰ্দেশ জাৰি কৰে। এই দিনটোতে ৰাজ্যখনৰ ৩ লাখ ৮৮ হাজাৰ ৩৫৮গৰাকী হিতাধিকাৰীক প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত প্ৰথম কিস্তিৰ ধনৰাশিৰ অনুমোদন পত্ৰ বিতৰণ কৰা হ'ব। বৈঠকত জিলা আৰু সম-জিলাসমূহত গামোছা বিতৰণ কাৰ্যসূচী ৰূপায়ণ সন্দৰ্ভতো আলোচনা কৰা হয়। দুয়োটা অনুষ্ঠান সফলতাৰে অনুষ্ঠিত কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে আয়ুক্তসকলক যাৱতীয় নিৰ্দেশনা দিয়ে।

ooooo

অসম আৰক্ষীয়ে ৰাজ্যৰ বিভিন্ন স্থানৰ পৰা মটৰ চাইকেলকে ধৰি অন্যান্য বাহন চুৰি কাৰ্যৰ সৈতে দীৰ্ঘদিন ধৰি জড়িত হৈ থকা মণিপুৰৰ এটা চক্ৰ উৎখাত কৰিবলৈ সমৰ্থ হৈছে। আৰক্ষীয়ে অভিযান চলাই মেঘালয় আৰু বাংলাদেশ সীমান্তৰ পৰা ১৩ খন মটৰ চাইকেল আৰু ৩ খন চাৰিচকীয়া বাহন উদ্ধাৰ কৰে। এই চুৰি কাৰ্যৰ সৈতে জড়িত থকাৰ অভিযোগত মণিপুৰৰ ১৩ জন লোকক আৰক্ষীয়ে আটক কৰে। তদন্তৰ সময়ছোৱাত আৰক্ষীয়ে গুৱাহাটীৰ পৰা মটৰচাইকেল চুৰি কৰি নৈশ বাছেৰে মণিপুৰলৈ লৈ যোৱাৰ বিভিন্ন তথ্যও লাভ কৰে।

ooooo

বাক্সা জিলাৰ ৪১ নম্বৰ মানাহ বিধানসভা সমষ্টি আৰু ভৱানীপুৰ সৰভোগ বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰীৰ উন্নত পকীপথ নিৰ্মাণ আঁচনিৰ অধীনত তিনিটা নতুন পকী পথ নিৰ্মাণৰ কাম আৰম্ভ হৈছে। বিধায়ক ফণীধৰ তালুকদাৰে আজি দলাজানিৰ পৰা খুচুৰাবাৰী-গোৰৰ্ধনা সংযোগী ৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ পকীপথটোৰ নিৰ্মাণৰ শুভাৰম্ভ কৰে। ৭ কোটি ৫০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই পথে যাতায়তৰ ক্ষেত্ৰত জনসাধাৰণক উপকৃত কৰিব বুলি আশা কৰা হৈছে।

ooooo

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীত যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ত আজি ফলিক এচিদৰ প্ৰয়োজনীয়তা সম্পৰ্কে এখন সজাগতা সভাৰ আয়োজন কৰা হয়। উল্লেখযোগ্য যে জিলা যুটীয়া স্বাস্থ্য

সেৱা সঞ্চালক ডাঃ মিনহাজ চৌধুৰীৰ লগতে বিভিন্ন স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক, নাৰ্চ আৰু আশাকৰ্মীৰ উপস্থিতি এই সজাগতা কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। মহিলাসকলে গৰ্ভধাৰণৰ তিনি মাহ আগত আৰু গৰ্ভৱতী হোৱাৰ প্ৰথম তিনি মাহলৈ ফলিক এচিদ সেৱন কৰাটো অতিকৈ জৰুৰী বুলি অনুষ্ঠানটোত জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকগৰাকীয়ে জানিবলৈ দিয়ে। ইয়াৰ লগতে প্ৰতিটো উন্নয়ন খণ্ড আৰু উপ-স্বাস্থ্য কেন্দ্ৰৰ স্বাস্থ্য কৰ্মীসকলে প্ৰতিখন গাঁৱৰ মহিলাসকলৰ মাজত এই ফলিক এচিদৰ প্ৰয়োজনীয়তা সম্পৰ্কে সজাগতা অভিযান চলোৱা হ'ব বুলি সংবাদমেলযোগে স্বাস্থ্য সেৱা সঞ্চালকগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

ৰাজ্যৰ প্ৰাথমিক বিদ্যালয়সমূহত খালী হৈ থকা প্ৰধানশিক্ষকৰ পদ পূৰণৰ বাবে বিদ্যালয় শিক্ষা বিভাগে নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনা অনুসৰি বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষকগৰাকীক প্ৰধানশিক্ষক পদৰ বাবে বাছনি কৰা হ'ব। তদুপৰি প্ৰাথমিক সঞ্চালকালয়ৰ অধীনত হোৱা বিশেষ নিযুক্তি প্ৰক্ৰিয়াত শিক্ষক এগৰাকীৰ নিযুক্তিৰ তাৰিখৰ পৰা জ্যেষ্ঠতা বাছনি কৰা হ'ব। ঠিকাভিত্তিত নিয়োজিত শিক্ষকক জ্যেষ্ঠতাৰ তালিকাত অন্তৰ্ভুক্ত কৰা নহ'ব বুলিও নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে। চি আৰ চি চি অৰ্থাৎ ক্লাষ্টাৰ ৰিচৰ্চ চেণ্টাৰ কো-অৰ্ডিনেটৰ হিচাপে দায়িত্ব নিৰ্বাহ কৰি থকা কোনো শিক্ষক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক হিচাপে বাছনিভুক্ত হ'লে তেওঁ চি আৰ চি চি পদ ত্যাগ কৰিব বুলি লিখিতভাৱে শিক্ষা বিভাগক অৱগত কৰিব লাগিব বুলিও নিৰ্দেশনাটোত কোৱা হৈছে। নিয়মীয়া প্ৰধানশিক্ষক নথকা বিদ্যালয়সমূহত জিলা প্ৰাথমিক শিক্ষা বিষয়া বা বিদ্যালয়ৰ পৰিদৰ্শকে এগৰাকী শিক্ষকক ভাৰপ্ৰাপ্ত প্ৰধানশিক্ষকৰ দায়িত্ব অৰ্পণ কৰিব। একেদৰে নিয়মীয়া শিক্ষক নথকা বিদ্যালয়ত বিশেষ নিযুক্তি প্ৰক্ৰিয়াৰ অধীনত নিযুক্তিপ্ৰাপ্ত জ্যেষ্ঠ শিক্ষকগৰাকীক প্ৰধানশিক্ষকৰ দায়িত্ব দিয়া হ'ব। একেলগ কৰা দুখন নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ভিতৰত অধিক ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়খনৰ জ্যেষ্ঠ শিক্ষকে প্ৰধানশিক্ষকৰ দায়িত্ব লাভ কৰিব বুলি নিৰ্দেশনাটোত কোৱা হৈছে।

ooooo

অসম আৰক্ষীৰ কনিষ্টবল আৰু সমপৰ্যায়ৰ অন্যান্য পদসমূহৰ বাবে লিখিত পৰীক্ষা ২৩ মাৰ্চৰ পৰিৱৰ্তে ৬ এপ্ৰিলত অনুষ্ঠিত হ'ব। প্ৰশাসনিক কাৰণত পৰীক্ষাৰ দিন সলনি কৰা হৈছে বুলি অসম আৰক্ষীৰ ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি পৰিষদে ইতিমধ্যে জাননীযোগে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে অসম আৰক্ষীৰ মুঠ ৫ হাজাৰ ৫৬৩টা পদৰ বাবে অনুষ্ঠিত শাৰীৰিক পৰীক্ষাৰ ফলাফলসমূহ যোৱা ১২ মাৰ্চত ঘোষণা কৰা হয়। ৬ এপ্ৰিলৰ লিখিত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে যোগ্য প্ৰাৰ্থীসকলে ১ এপ্ৰিলৰ পুৱা ১১ বজাৰ পৰা প্ৰৱেশ পত্ৰসমূহ ডাউনলোড কৰিব পাৰিব।

ooooo

সমাপ্ত